**প্ৰেছ বাৰ্তা নং ঃ ৩৩০/২০২২**

**অসম চিকিৎসা মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী উদযাপন অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ অংশগ্ৰহণ**

# সাম্প্ৰতিক বিশ্বত দেখা দিয়া ৰোগসমূহৰ সৈতে মোকাবিলা কৰাৰ দিশত পৰ্যাপ্ত গৱেষণাৰ আহ্বান মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ৩ নৱেম্বৰ ঃ** 'অসম চিকিৎসা মহাবিদ্যালয়ক আধুনিক ৰূপত গঢ় দি সাম্প্ৰতিক বিশ্বত দেখা দিয়া ৰোগসমূহৰ সৈতে মোকাবিলা কৰিব পৰাকৈ অত্যাধুনিক গৱেষণা প্ৰতিষ্ঠানলৈ ৰূপান্তৰিত কৰিবলৈ সকলো ধৰণৰ সুবিধা প্ৰদান কৰিবলৈ ৰাজ্য চৰকাৰ আগ্ৰহী।' আজি ডিব্ৰুগড়ত অসম চিকিৎসা মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী উদয়াপন অনুষ্ঠানত অংশ গ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইদৰে কয়।

মুখমন্ত্ৰীয়ে কয় যে জটিল ৰোগৰ চিকিৎসা প্ৰদান কৰিব পৰাকৈ ৰাজ্যৰ অগ্ৰণী চিকিৎসা প্ৰতিষ্ঠান অসম চিকিৎসা মহাবিদ্যালয়ে উচ্চ গৱেষণাৰ ব্যৱস্থাৰাজি সন্নিবিষ্টকৰণৰে নিজকে অত্যাধুনিক চিকিৎসা প্ৰতিষ্ঠানলৈ উন্নীত কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। অসম চিকিৎসা মহাবিদ্যালয়ক উচ্চ পৰ্যায়ৰ চিকিৎসা গৱেষণাৰ বাবে ৰাজ্য চৰকাৰ আৰু আই আই টি গুৱাহাটীৰ অংশীদাৰিত্বৰ সৈতে সমন্বয় স্থাপন কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

অসম চিকিৎসা মহাবিদ্যালয় স্থাপনৰ দিশত ব্ৰিটিছ মানৱদৰদী বেৰী হোৱাইট আৰু গোপীনাথ বৰদলৈয়ে আগবঢ়োৱা অৰিহণাৰ কথা স্মৰণ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শিক্ষকসকলৰ কোৱাৰ্টাৰ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ হোষ্টেল নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে ৩০০ কোটি টকা আগবঢ়াব। চিকিৎসা শিক্ষা আৰু চিকিৎসাৰ ক্ষেত্ৰখনত এই মহাবিদ্যালয়ে চহকী পৰম্পৰা অটুট ৰখাৰ বাবে প্ৰশংসা কৰি তেওঁ মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিক বিকাশ আৰু উন্নয়নৰ দিশত কাম কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে ৭৫ বছৰ এটা দীঘলীয়া সময়। এই সময়ছোৱাত মহাবিদ্যালয়খনৰ বহু চিকিৎসকে বিশেষজ্ঞ হিচাপে সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে বুলিও তেওঁ কয়।

এই উপলক্ষে তেওঁ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰাৰ লগতে মহাৰজত জয়ন্তী অনুষ্ঠানত ব্যক্তিগতভাৱে উপস্থিত থকা ১৯৪৭চনৰ বেটছৰ প্ৰাক্তন ছাত্ৰ কামাখ্যা প্ৰসাদ চক্ৰৱৰ্তীক কৃতজ্ঞতা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ উপাচাৰ্যক মানৱদৰদী জন বেৰী হোৱাইটৰ নামত ৰাজ্যৰ শ্ৰেষ্ঠ এম বি বি এছ স্নাতকক নগদ ৫ লাখ টকাৰে সম্বৰ্দ্ধনা জনোৱাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে কয় যে অসম চিকিৎসা মহাবিদ্যালয়ে প্ৰতিষ্ঠা কালৰে পৰা মানৱতাৰে সেৱা আগবঢ়াই আহিছে। মহাৰজত জয়ন্তী উপলক্ষে এটি ডাক টিকটো মুকলি কৰে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে অ এন জি চিৰ কোম্পানীৰ সামাজিক দায়বদ্ধ আঁচনিৰ অধীনত আগবঢ়োৱা ৯ খন এডভান্সড লাইফ ছাপৰ্ট এম্বুলেন্স সেৱাৰো ফ্লেগ অফ কৰে। এই ৯ খন এম্বুলেন্স ৰাজ্যৰ ৯ খন চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ক

প্ৰদান কৰা হ'ব।

ক'ভিডৰ সময়ছোৱাত অসম চিকিৎসা মহাবিদ্যালয়ে উৎসৰ্গিত মনোভাবেৰে সেৱা আগবঢ়োৱাৰ বাবে প্ৰশংসা কৰে মুখ্যমন্ত্ৰীয়ে। তেওঁ কয় কয় যে এই মহাবিদ্যালয়খনে সেৱাৰ মনোভাবেৰে কাম কৰা বাবেই কেবাজনো মানুহৰ জীৱন ৰক্ষা পৰিছিল। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্যৰ সকলো নাগৰিককে উন্নত, সুলভ আৰু সহজে স্বাস্থ্যসেৱাৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰিবলৈ ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। সেইবাবে ৰাজ্য চৰকাৰে চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা ২৪ খনলৈ বৃদ্ধি কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে।

আজিৰ এই অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী কেশৱ মহন্ত, কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীয়েও ভাষণ প্ৰদান কৰে।

অনুষ্ঠানত উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বড়া, সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু পৱিত্ৰ মাৰ্ঘেৰিটা, বিধায়কসকল ক্ৰমে বিনোদ হাজৰিকা, তৰংগ গগৈ, চক্ৰধৰ গগৈ, শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান মহাবিদ্যালয়ৰ উপাচাৰ্য ডাঃ ধ্ৰুৱ জ্যোতি বৰা, অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতি, এ টি ডি চিৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা প্ৰমুখ্যে গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ**
**৩/১১/২০২২**